**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	**সেৰা সপ্তাহ**ৰ সৈতে সংগতি ৰাখি ২ অক্টোবৰ পৰ্যন্ত ৰাজ্যত ১৪ হাজাৰ ৬৯০টা স্বাস্থ্য শিবিৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।
২।	বিটিচি পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ শেষ পৰ্যায়ত ভোটাৰ ৰাইজৰ মন জয় কৰিবলৈ ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি।
৩।	ইভিএম, বেলট পেপাৰৰ স্পষ্টতা আৰু পঢ়াৰ সুবিধাৰ বাবে নিৰ্বাচন আয়োগৰ নিয়মাৱলীৰ সংশোধন।
৪।	ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া, অসম সন্তান গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি।	**আৰু**
৫।	এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেৱা সপ্তাহৰ অংশ হিচাপে কালি মধ্য প্ৰদেশত উদ্বোধন কৰা সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ অধীনত কালি ৰাজ্যখনত চাৰি হাজাৰ ২৯৭ টা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। বঙাইগাঁৱত অনুষ্ঠিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অংশ লৈ এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰতিটো সমষ্টিতে মহিলাৰ স্বাস্থ্য, মৰ্যাদা আৰু সৱলীকৰণ সুনিশ্চিত কৰাৰ বাবে বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। দুই অক্টোবৰ পৰ্যন্ত ৰাজ্যখনত এনেধৰণৰ ১৪ হাজাৰ ৬৯০ টা স্বাস্থ্য শিবিৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে গ্ৰামাঞ্চলৰ ভিতৰুৱা অঞ্চললৈ গৈও মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হ'ব।

বাইট

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত এই অভিযানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, কেশৱ মহন্তৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত কালি ডিব্ৰুগড় জিলাৰ বকপাৰাত **সুস্থ নাৰী, শক্তিশালী পৰিয়াল** অভিযান উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জিলা সমাজ কল্যাণ বিভাগৰ তৰফৰ পৰা বিভাগৰ বিভিন্ন আঁচনি আৰু কাম-কাজ প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগতে পোষণ অভিযানৰ অন্তৰ্গত পোষণ মাহৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিভিন্ন পৰিপুষ্টিমূলক খাদ্য প্ৰদৰ্শন কৰাৰ লগতে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীসকলৰ পঞ্জীয়নো কৰা হয়। সাংবাদিকৰ আগত শ্ৰী সোণোৱালে এইদৰে কয় –

ভইচ

একেদৰে ধেমাজি জিলাতো কালি সুস্থ নাৰী, শক্তিশালী পৰিয়াল শীৰ্ষক কাৰ্যসূচী ভাৰ্চুৱেল ব্যৱস্থাৰে সাংসদ প্ৰদান বৰুৱাই শুভাৰম্ভ কৰে। এই কাৰ্যসূচীৰ অধীনত জিলাখনত অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহৰ আৰম্ভণি, চিকিৎসা আৰু স্বাস্থ্য শিবিৰ আৰু মহিলাসকলৰ বাবে থকা বিভিন্ন আঁচনিৰ সা-সুবিধা প্ৰদানৰ বাবে ডিজিটেল কাৰ্ড বিতৰণৰ ব্যৱস্থা

কৰা হ'ব। শোণিতপুৰ জিলাতো কালি এই অভিযানৰ অধীনত অষ্টম পোষণ মাহৰ জিলা পৰ্যায়ৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। এই কাৰ্যসূচীত জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

বজালী জিলাৰ ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত কালি সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত আৰু বৰপেটা জিলাৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া উপস্থিত থাকে। জিলাখনত দুই অক্টোবৰ পৰ্যন্ত ৯০ টা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত মহিলাৰ স্বাস্থ্য, পুষ্টি আৰু সুস্থতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন ৰোগৰ পৰীক্ষা তথা সন্তান সম্ভৱাসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব।

ডিমা হাচাও জিলাৰ হাফলং অসামৰিক চিকিৎসালয়ত কালি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। এই কাৰ্যসূচীত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ মোহিত হোজাই মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। সেৱা পৰ্ব প্ৰতিবেদনলানিত আজি আমি মোদী চৰকাৰে কিদৰে আন্তৰ্ৰাষ্ট্ৰীয় সৌৰ জোটৰ মাধ্যমেৰে ভাৰতবৰ্ষক গোলকীয় পৰ্যায়ত অগ্ৰণী দেশৰূপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে সেই বিষয়ে ক'বলৈ ওলাইছো।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিটিআৰৰ অন্তৰ্গত কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাত বিজেপিৰ লগতে ইউ পি পি এল, বিৰোধী দল কংগ্ৰেছ, বি পি এফ, অসম গণ পৰিষদে ভোটদাতাৰ মন আকৰ্ষণ কৰাৰ প্ৰয়াস চলাই আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। ইপিনে ইউ পি পি এল দলৰ মূৰব্বী প্ৰমোদ বড়োৱে জিলাখনৰ কালিখোলাকে ধৰি কেইবাঠাইতো নিৰ্বাচনী সভা আৰু সমলদত অংশগ্ৰহণ কৰিব। জিলাখনৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয় –

**ভইচ (নাৰায়ণ ডেকা)**

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাতো দুখন নিৰ্বাচনী সভাত ভাগ ল'ব। এই বিষয়ে অধিক জনাইছে আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকাৰে–

**ভইচ (দামোদৰ তালুকদাৰ)**

জিলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি এইবাৰ ওদালগুৰি জিলাৰ ১০টা পৰিষদীয় সমষ্টিৰ ৯৫৭টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ লাখ ৪৩ হাজাৰ ৬৬২ গৰাকী ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত ৩ লাখ ৬৭ হাজাৰ ৮৫৬ গৰাকী পুৰুষ, ৩ লাখ ৭৫ হাজাৰ ৮০০ গৰাকী মহিলা আৰু ছগৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। দৰং, বিশ্বনাথ আৰু শোণিতপুৰ জিলাৰ মুঠ ৭১ খন গাঁৱকো এইবাৰ বিটিচিৰ ওদালগুৰি জিলাত অন্তৰ্ভুক্ত কৰা হৈছে। নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

নিৰ্বাচন আয়োগে ই ভি এম বেলট পেপাৰৰ স্পষ্টতা আৰু পঢ়াৰ সুবিধা বৃদ্ধি কৰাৰ বাবে ইয়াৰ আৰ্হি আৰু ছপাৰ ক্ষেত্ৰত থকা পূৰ্বৰ নিয়মাৱলীৰ সংশোধন কৰিছে। নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰা আৰু ভোটদাতাৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে যোৱা ছমাহত গ্ৰহণ কৰা ২৮ টা পদক্ষেপৰ অংশ হিচাপে এই সংশোধন কৰা হৈছে। এই অনুসৰি, ই ভি এম বেলট পেপাৰত প্ৰাৰ্থীৰ ৰঙীণ ফটো ছপা কৰা হ'ব আৰু স্পষ্টৰূপত দেখাকৈ বেলট পেপাৰৰ চাৰি ভাগৰ তিনি অংশত প্ৰাৰ্থীগৰাকীৰ ফটোখন থাকিব। পঢ়াত সুবিধা হোৱাকৈ সকলো প্ৰাৰ্থী আৰু ন'টাৰ নাম একেধৰণৰ আখৰেৰে ছপা কৰা হ'ব। নতুন ই ভি এম বেলট পেপাৰসমূহ সমাগত বিহাৰ নিৰ্বাচনৰ পৰাই ব্যৱহাৰ কৰা হ'ব বুলি আয়োগে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে ইতিমধ্যে এই সন্দৰ্ভত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকললৈ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০

ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি শ্ৰীদাসে শীঘ্ৰে ছিউলত ভাৰতীয় ৰাষ্ট্ৰদূত ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

১৯৯৯ চনৰ ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া অসম সন্তান গৌৰাংগ লাল দাসে ইয়াৰ আগতে কেইবাখনো বিদেশী ৰাষ্ট্ৰত কূটনীতিবিদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চীনা আৰু কম্বোডিয়ান ভাষাকে ধৰি কেইবাটাও বিদেশী ভাষাত ব্যুৎপত্তি থকা গৌৰাংগ লাল দাসে যোৱা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিন পিনৰ মাজৰ শীৰ্ষ বৈঠকত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসম আৰু তামিলনাডুৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অধীনত ৩৪২ কোটিৰো অধিক টকাৰ অনুদান মোকলাই দিছে। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমলৈ ২১৪ আৰু তামিলনাডুলৈ ১২৭ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে। এই ধনৰাশি অনাময় আৰু মুকলিত মলত্যাগ অভ্যাসৰ বিলুপ্তি, ঘৰুৱা আৱৰ্জনাৰ ব্যৱস্থাপনা আৰু পুনৰ ব্যৱহাৰ, খোৱাপানী যোগান, বৰষুণৰ পানীৰ সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰৰ দৰে বুনিয়াদী সেৱাৰ বাবে ব্যৱহাৰ কৰা হ'ব।

০০০০০০

যোৰহাট জিলাত অৱস্থিত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ গৱেষণা উপদেষ্টা গোটৰ ২৭ সংখ্যক বৈঠকখন কালি অনুষ্ঠিত হয়। হাইব্ৰীড পদ্ধতিৰে অনুষ্ঠিত এই সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ ৰমেন্দ্ৰ নাথ শৰ্মা, কেন্দ্ৰীয় মুগা এৰী গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ কাৰ্তিক নেওগ, **চি এছ আই আৰ**-নেইষ্টৰ বিজ্ঞানী ড০ অৰ্চনা মণি দাসকে ধৰি বহুকেইজন বিশিষ্ট বিজ্ঞানী আৰু জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। সভাত ভিন্ন বিষয়ৰ মুঠ ৭টা নতুন গৱেষণা প্ৰকল্প উপস্থাপন কৰা হয়। এই প্ৰকল্পসমূহৰ ওপৰত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। এই প্ৰকল্পসমূহ পৰৱৰ্তী পৰ্যায়ত ডেৰাডুনত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত বাছনি সমিতিৰ বৈঠকত উপস্থাপন কৰা হ'ব।

উল্লেখযোগ্য যে কালিৰ সভাত অৰুণাচল প্ৰদেশৰ প্ৰধান মুখ্য বন সংৰক্ষক পি সুব্ৰমনিয়ম, মণিপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ বিবেক বৈষ্ণৱকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ বিজ্ঞানীয়ে ভাৰ্চুৱেলভাৱে প্ৰতিনিধিত্ব কৰে।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱৰ কুমাৰগাঁৱত পোহনীয়া হাতীৰ আক্ৰমণত কালি এজন লোকৰ মৃত্যু হোৱাৰ লগতে মাউতসহ দুজন লোক আহত হয়। আহত এজনক সংকটজনক অৱস্থাত যোৰহাট অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। হাতীৰ আক্ৰমণত মৃত্যু হোৱা লোকজন দেৰগাঁৱৰ মলাইকুমাৰ গাঁৱৰ কেশৱ বৰা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক ৪১ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ফকৰ জামানে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ জুনাইদ ছিদ্দিকিয়ে ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত আয়োজক দলটোৱে ১৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ শ্বাহিন আফ্ৰিদি, হৰিছ ৰৌফ আৰু আব্ৰাৰ আহমেদে দুটাকৈ উইকেট দখল কৰে। বৰষুণৰ বাবে এঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত জয়লাভ কৰি পাকিস্তানে ভাৰতৰ লগতে প্ৰতিযোগিতাৰ ছুপাৰ-ফৰ পৰ্যায়লৈ প্ৰৱেশ কৰিছে। ইপিনে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব। আবু ধাবিৰ জায়েদ ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

বোকাখাতৰ মহুৰামুখ এক নম্বৰ গৰৈমাৰী গাঁও নিবাসী লেখক, সাংবাদিক, সমাজকৰ্মী, বাদুলীপাৰ জুনিয়ৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ চন্দ্ৰকান্ত দাসৰ কালি সন্ধিয়া নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত